**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-12-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত ৩০০ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া আৱাসিক কলনিৰ সন্দৰ্ভত কৰ্তৃপক্ষৰ সৈতে বৈঠকত অংশগ্ৰহণ।

২। সমাগত উৎসৱৰ সময়ছোৱাৰ উপৰি অন্য সময়তো ৰাজ্যক পথ দুৰ্ঘটনাৰ পৰা মুক্ত কৰি ৰাখিবলৈ চৰকাৰৰ বিভিন্ন ব্যৱস্থা গ্ৰহণ।

৩। আলফা স্বাধীনক অবৈধ সংগঠন হিচাপে গণ্য কৰিব লাগিবনে নাই সেই বিষয়ে বিবেচনাৰ বাবে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ নেতৃত্বত এখন ন্যায়াধীকৰণ গঠন।

৪। সাহিত্য বিষয়ক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰে কোচবিহাৰৰ মধুপুৰ সত্ৰত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে মধুপুৰ মহোৎসৱ।

আৰু

৫। লোককৃষ্টিৰ সাধক দুৰ্গেশ্বৰ সোণোৱাললৈ আছুৰ প্ৰতিমা বৰুৱা পাণ্ডে স্মাৰক বঁটা।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত উপস্থিত হৈ চিকিৎসা মহাবিদ্যালয়খনৰ সামগ্ৰিক পৰিৱেশ আৰু ইয়াৰ বিভিন্ন দিশ সন্দৰ্ভত পৰ্যালোচনা কৰাৰ উদ্দেশ্যে এখন বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে চিকিৎসালয়খনলৈ অহা ৰোগীৰ সংখ্যা, বিভিন্ন বিভাগৰ বৰ্তমানৰ স্থিতিকে ধৰি অন্যান্য সা-সুবিধাসমূহৰ বুজ লয়। ড০ শৰ্মাই চিকিৎসালয়খনত ৩০০ কোটি টকা ব্যয়ৰে নিৰ্মাণৰ পৰিকল্পনা কৰা নতুন আৱাসিক কলনিৰ সন্দৰ্ভত চিকিৎসালয়ৰ কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰে। এই ক্ষেত্ৰত যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে।

০০০০০০

চলিত বছৰত ৰাজ্যত পথ দুৰ্ঘটনা ৭২ দশমিক ৫-৬ শতাংশ বৃদ্ধি পাইছে। অৱশ্যে দুৰ্ঘটনাত মৃত্যুৰ হাৰ যোৱা বছৰৰ তুলনাত এই বছৰ ১৪ দশমিক ২-৮ শতাংশ হ্ৰাস পাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি আৰক্ষী, পথ পৰিবহণকে ধৰি কেইবাটাও বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে হোৱা বৈঠকৰ পাছত এই বিষয়ে প্ৰকাশ কৰি কয়, যে অসম হৈছে পথ দুৰ্ঘটনাত মৃত্যু হ্ৰাস হোৱা দেশৰ একমাত্ৰ ৰাজ্য। যোৱাবছৰ ৰাজ্যখনত ৬ হেজাৰ ৬৯৮টা দুৰ্ঘটনা সংঘটিত হোৱাৰ বিপৰীতে এইবাৰ ৰাজ্যখনত সংঘটিত দুৰ্ঘটনাৰ সংখ্যা ১১ হাজাৰ ৫৫৮ লৈ বৃদ্ধি পাইছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে সমাগত উৎসৱৰ সময়ছোৱাৰ উপৰি অন্য সময়তো ৰাজ্যখনক পথ দুৰ্ঘটনাৰ পৰা মুক্ত কৰি ৰাখিবলৈ চৰকাৰে নিশা ১০ বজাৰ পাছত সুৰাপান কৰি গাড়ী চলোৱা ব্যক্তিক চিনাক্ত কৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। বৰ্ধিত দুৰ্ঘটনা নিয়ন্ত্ৰণৰ বাবে গুৱাহাটী বাইপাছৰ ষ্ট্ৰিট লাইট, ফুট অভাৰব্ৰীজ, প্ৰতিফলক আদি স্থাপনৰ কাম ত্বৰান্বিত কৰাৰ বাবে বৈঠকত সিদ্ধান্ত লোৱা হয়। এই বৈঠকতে ড০ শৰ্মাই বাণিজ্যিক ট্ৰাক তথা অন্যান্য বাহনৰ পিছফালে প্ৰতিফলক লগোৱাৰ ব্যৱস্থা কাৰ্যকৰী কৰিবলৈ সীমান্তৱৰ্তী জিলাসমূহৰ আৰক্ষী অধীক্ষকক বিশেষ নিৰ্দেশনা প্ৰদান কৰে। তদুপৰি এনে বাহনৰ চালকসকলৰ দৃষ্টি পৰীক্ষা কৰাৰ লগতে চিকিৎসাৰ সুবিধা প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। মাঘ বিহুলৈকে পথ সুৰক্ষা অভিযান আৰু নিৰীক্ষণ ব্যৱস্থা অধিক তীব্ৰতৰ কৰি তোলা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে বনভোজস্থলীৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সুৰক্ষা নিশ্চিত কৰাৰ বাবেও সকলো অংশীদাৰীক সামৰি নিৰ্দেশনা জাৰি কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে আইন বলৱৎকাৰী সংস্থাসমূহৰ বিষয়াবৰ্গক অনুজ্ঞাবিহীন চালক আৰু অসাৱধানভাৱে গাড়ী চলোৱা ব্যক্তিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ লগতে ঘন কুঁৱলীৰ সময়ত পথৰ সংকেতসমূহ দৃশ্যমান কৰি ৰাখিবলৈকো নিৰ্দেশ দিয়ে। তেওঁ লগতে মুখ্য চহৰসমূহত শীঘ্ৰেই ষ্ট্ৰিট লাইট স্থাপন কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন সংযুক্ত মুক্তি বাহিনী অসম-আলফা স্বাধীনক অবৈধ সংগঠন হিচাপে পৰিগণিত হৈ থকাৰ পৰ্যাপ্ত কাৰণ আছে নে নাই সেই বিষয়ে বিবেচনা কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মাইকেল জোথানখুমাইৰ নেতৃত্বত এখন ন্যায়াধীকৰণ গঠন কৰিছে। এই অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ ন্যায়াধীকৰণে সংগঠনটোৰ আন আন গোট আৰু শাখাসমূহৰ সন্দৰ্ভতো অনুসন্ধান কৰিব।

উল্লেখযোগ্য যে, ১৯৯০ চনত কেন্দ্ৰীয় চৰকাৰে অপৰাধমূলক কাৰ্যকলাপ, বলপূৰ্বক ধন দাবী আৰু বিচ্ছিন্নতাবাদী কাৰ্যকলাপত জড়িত থকা বুলি সংযুক্ত মুক্তি বাহিনী অসম চমুকৈ আলফাক  চিনাক্ত কৰি ইয়াক নিষিদ্ধ উগ্ৰপন্থী সংগঠন হিচাপে ঘোষণা কৰিছিল। তাৰ পাছত পৰিস্থিতি বিবেচনা কৰি প্ৰতি ৫ বছৰৰ মূৰে মূৰে আলফাৰ বিৰুদ্ধে থকা নিষেধাজ্ঞা পুনৰ বলৱৎ কৰা হৈছিল। অৰবিন্দ ৰাজখোৱা নেতৃত্বাধীন আলফাৰ সৈতে কেন্দ্ৰীয় চৰকাৰৰ যোৱা বছৰৰ ২৯ ডিচেম্বৰত শান্তি চুক্তি স্বাক্ষৰিত হৈছিল। অৱশ্যে সংগঠনটোৰ স্বয়ম্ভু সেনাধক্ষ্য পৰেশ বৰুৱা নেতৃত্বাধীন স্বাধীনপন্থী আলফা গোটে এই আলোচনা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰা নাছিল।

০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ বিভাগৰ ৰাজ্যমন্ত্ৰী ভগীৰথ চৌধুৰীয়ে আজি নগাঁও জিলাত বিভিন্ন বিভাগৰ মুৰববী বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত নগাঁও জিলা আয়ুক্ত নৰেন্দ্ৰ শ্বাহে জিলাখনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰৰ ফলত কৃষক আৰু কৃষি ভূমিৰ লগতে পৰিৱেশৰ ওপৰত ইয়াৰ প্ৰভাৱৰ কথা উল্লেখ কৰি জৈৱিক পদ্ধতিৰে খেতি কৰাত গুৰুত্ব আৰোপ কৰে। অসমত খেতিৰ বাবে পৰ্যাপ্ত পানী আছে আৰু সেই বাবে বছৰত অন্তত তিনিবাৰকৈ খেতি কৰিব লাগে বুলি শ্ৰীচৌধুৰীয়ে মন্তব্য কৰে। এই ক্ষেত্ৰত তেওঁ বিভাগীয় বিষয়াসকলক যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। কেন্দ্ৰীয় চৰকাৰে কৃষকৰ উৎপাদিত ফচলসমূহ দেশৰ বিভিন্ন প্ৰান্তলৈ প্ৰেৰণ কৰাৰ ক্ষেত্ৰত ৫০ শতাংশ পৰিবহণ ব্যয় বহন কৰাৰ কথা উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ জৰিয়তে কৃষকসকলে উৎপাদিত ফচলৰ উপযুক্ত মূল্য লাভ কৰিবলৈ সমৰ্থ হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি জিলাখনত নাবাৰ্ডৰ জৰিয়তে ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ বুজ লোৱাৰ লগতে পাম অইল খেতিৰ অগ্ৰগতিৰ সন্দৰ্ভত পতঞ্জলীৰ বিষয়ববীয়াৰ সৈতে বাৰ্তালাপ কৰে। শ্ৰীচৌধুৰীয়ে লগতে জিলাখনৰ সকলো বিষয়ববীয়াক চৰকাৰৰ জনমুখি আঁচনিসমূহ যাতে যোগ্য হিতাধিকাৰীয়ে লাভ কৰে এইক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০০

বিশ্বৰ খ্ৰীষ্টধৰ্মী লোকসকলৰ পৱিত্ৰ বৰদিন উপলক্ষে মাজনিশাৰ বিশেষ সমূহীয়া প্ৰাৰ্থনাৰ বাবে গীৰ্জাসমূহ সজাই-পৰাই তোলা হৈছে। গুৱাহাটী মহানগৰীৰ পাণবজাৰৰ ব্যাপ্টিষ্ট চাৰ্চ গীৰ্জা, পাণবজাৰৰ ডনবস্ক' গীৰ্জা, খ্ৰীষ্টানবস্তিৰ গীৰ্জা, সোণাইঘূলিৰ গীৰ্জা আদি বিভিন্ন গীৰ্জা বৰ্তমান আলোকসজ্জা, খ্ৰীষ্টমাছ ট্ৰী, ৰং-বিৰঙী ফুল, তৰা আদিৰে সুশোভিত কৰা হৈছে আৰু কেৰলেৰে মুখৰ হৈ পৰিছে। খ্ৰীষ্টধৰ্মী লোকসকলৰ বাসভৱনসমূহো আলোকসজ্জাৰে সজ্জিত কৰা হৈছে।

ৰাজ্যৰ প্ৰথম পৰিষ্কাৰ আৰু স্বচ্ছ গাঁও হিচাপে পৰিচিত গোৱালপাৰা জিলাৰ ৰাংচাপাৰা গাঁওখনক বিভিন্ন আলোকসজ্জাৰে সজাই তোলাৰ লগতে খ্ৰীষ্টধৰ্মী লোকসকলে ঘৰে ঘৰে বিভিন্ন খাদ্য প্ৰস্তুত কৰিছে। গোৱালপাৰা নগৰৰ বাপুজী নগৰত থকা একমাত্ৰ গীৰ্জাঘৰতো বৰদিনৰ আয়োজন চলিছে।

উত্তৰ-পূব ভাৰতৰ দ্বিতীয় পুৰণি গীৰ্জা ৰূপে পৰিচিত শিৱসাগৰ ব্যাপ্তিষ্ট গীৰ্জাত কালিৰে পৰা বৰদিনৰ বিশেষ অনুষ্ঠানত ভালেসংখ্যক ভক্তই অংশগ্ৰহণ কৰিছে। ধুবুৰী, বিলাসীপাৰা, মানকাচৰ, নগাঁও, গোলাঘাট, ডিব্ৰুগড় আদিৰ পৰাও বৰদিন উদযাপনৰ ব্যাপক প্ৰস্তুতি চলাৰ বাতৰি পোৱা গৈছে।

চুবুৰীয়া ৰাজ্য মেঘালয়ৰ ৰাজধানী শ্বিলং নগৰ বৰ্তমান বৰদিনৰ আনন্দ-উল্লাসত বিভোৰ হৈ পৰা দেখা গৈছে। শ্বিলঙৰ বৰদিন উপভোগৰ বাবে দেশ-বিদেশৰ বহু পৰ্যটকৰ আগমন ঘটাও দেখা গৈছে। কোহিমা, আইজল, তুৰা আদিকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্থানৰ পৰা বৰদিনৰ প্ৰাক সন্ধিয়া আনন্দ-উল্লাস সৃষ্টি হোৱাৰ বাতৰি আহিছে।

০০০০০০

কংগ্ৰেছ দলে আজি ৰাজ্যখনৰ বিভিন্ন স্থানত বাবাছাহেব ড০ ভীমৰাও আম্বেদকাৰ সন্মান যাত্ৰা অনুষ্ঠিত কৰে। এই কাৰ্যসূচীত কংগ্ৰেছ কৰ্মীসকলে ড০ আম্বেদকাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি জিলা আয়ুক্তৰ জৰিয়তে ৰাষ্ট্ৰপতিলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি তেজপুৰত এই কাৰ্যসূচীত ভাগ লয়। গুৱাহাটীতো আজি কংগ্ৰেছ দলে ড০ আম্বেদকাৰ সন্মান যাত্ৰা অনুষ্ঠিত কৰে।

০০০০০০

শোণিতপুৰ জিলাত জলজীৱন মিছনৰ অধীনত বিশুদ্ধ খোৱাপানী যোগান ব্যৱস্থা সফল কৰি তোলাৰ ক্ষেত্ৰত বিশেষ অৱদান থকা ব্যক্তি তথা সংগঠনসমূহক আজি জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু শোণিতপুৰ জিলা পানী আৰু অনাময় সমিতিৰ উদ্যোগত জল সেৱা বঁটা প্ৰদান কৰা হয়। শোণিতপুৰ জিলাৰ আয়ুক্ত, অতিৰিক্ত আয়ুক্ত তথা বিভাগীয় জ্যেষ্ঠ বিষয়াৰ উপস্থিতিত মুঠ ২৪ গৰাকী ব্যক্তি আৰু সংগঠনক আজি শ্ৰেষ্ঠ জল মিত্ৰ, শ্ৰেষ্ঠ ঠিকাদাৰ, শ্ৰেষ্ঠ পানী উপভোক্তা সমিতি, শ্ৰেষ্ঠ পঞ্চায়ত আৰু শ্ৰেষ্ঠ জলদূত আদি বিভিন্ন শিতানত সন্মানিত কৰা হয়।

০০০০০০০

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদত নতুনকৈ তিনিগৰাকী কাৰ্যবাহী সদস্য নিযুক্তি দিয়া হৈছে। মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে আজি ঘটোৱা এই সালসলনিৰ অধীনত ১৪ জনীয়া কাৰ্যবাহী পৰিষদখনত কাছে ৰংপিপী, তিলোত্তমা হাছনু আৰু মাধুৰ্য ঢেকীয়াল ফুকনক কাৰ্যবাহী সদস্যৰ দায়িত্বভাৰ অৰ্পণ কৰা হৈছে। কাংবুঢ়া কিলিং আৰু মুকুট মহন্তক কাৰ্যবাহী সদস্যৰ দায়িত্বৰ পৰা অব্যাহতি দিয়া হৈছে।

০০০০০০০

ৰাজ্য চৰকাৰৰ মহিলা আৰু শিশু বিভাগ আৰু চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত জিলা চিকিৎসালয়ত যোৱা ৪৮ ঘণ্টাৰ ভিতৰত জিলাখনৰ চৰকাৰী চিকিৎসালয়ত জন্মগ্ৰহণ কৰা নৱজাতক কন্যা শিশুৰ মাতৃক একোটিকৈ উপহাৰৰ টোপোলা বিতৰণ কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে কন্যা শিশু, নাৰী সৱলীকৰণ আৰু লিংগ সমতাৰ বৃদ্ধিৰ লক্ষ্যৰে বিভিন্ন চৰকাৰী আঁচনি আৰু পদক্ষেপ সন্দৰ্ভত আলোচনা কৰে। এই সন্দৰ্ভত বিধায়কগৰাকীয়ে এইদৰে কয় –

-বাইট-

০০০০০০০

সাহিত্য বিষয়ক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰে কোচবিহাৰৰ মধুপুৰ সত্ৰত আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে মধুপুৰ মহোৎসৱ আৰম্ভ হৈছে। মাজুলী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱ গোস্বামীয়ে এই আলোচনাচক্ৰখন উদ্বোধন কৰে। এই আলোচনাচক্ৰ উদ্বোধন কৰি দিয়া ভাষণত সত্ৰাধিকাৰগৰাকীয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ সাহিত্যৰ যোগেদি অসমৰ জনসাধাৰণক একত্ৰিত কৰাৰ কথা উল্লেখ কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক অসমৰ ভাস্কৰ বুলি অভিহিত কৰি ড০ দেৱগোস্বামীয়ে ৰাজ্যৰ সকলো ভকত-বৈষ্ণৱক মহাপুৰুষগৰাকীৰ মহাপ্ৰয়াণৰ স্থান কোচবিহাৰৰ মধুপুৰ সত্ৰ ভ্ৰমণ কৰিবলৈ আহ্বান জনায়। মহোৎসৱৰ বিভিন্ন কাৰ্যসূচীৰ সন্দৰ্ভত ধুবুৰীৰ পৰা আমাৰ সংবাদদাতা প্ৰদীপ সাহাই এনেদৰে কয়-

**ভইচ (প্ৰদীপ সাহা)**

এই আলোচনাচক্ৰত অসমৰ লগতে ওড়িশা আৰু পশ্চিমবংগৰ ভালেসংখ্যক বিশিষ্ট শিক্ষাবিদ আৰু সাহিত্যিকে অংশগ্ৰহণ কৰে।

কাইলৈ ভাগৰত শোভাযাত্ৰা, পালনাম সমাৰোহৰ লগতে থিয়নাম অনুষ্ঠিত হ'ব। বিয়লি ভাগত হ'বলগীয়া মুকলি সভাত বৰপেটা সত্ৰৰ নৱনিৰ্বাচিত বুঢ়াসত্ৰীয়া ড০ বাবুল দাসক অভিনন্দন জনোৱাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব। সন্ধিয়া যোৰহাটৰ নৃ-গোষ্ঠীয় সাংস্কৃতিক মঞ্চই সীতাহৰণ, বালিবধ ভাওনা প্ৰদৰ্শন কৰিব।

০০০০০০০

লোককৃষ্টিৰ সাধক দুৰ্গেশ্বৰ সোণোৱাললৈ আছুৰ প্ৰতিমা বৰুৱা পাণ্ডে স্মাৰক বঁটা আগবঢ়োৱা হৈছে। অহা ২৭ ডিচেম্বৰত চানমাৰিৰ প্ৰতিমা বৰুৱা পাণ্ডেৰ প্ৰতিমূৰ্তিৰ সন্মুখত আয়োজন কৰা বিশেষ অনুষ্ঠানত লোককৃষ্টিৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা উল্লেখনীয় অৱদানৰ বাবে দুৰ্গেশ্বৰ সোণোৱালক এই বঁটা প্ৰদান কৰা হ'ব।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ইংৰাজী ২০২৪ বৰ্ষৰ সমাপ্তি উপলক্ষে কেইটামান বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি অহা ২৮ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সমাজৰ নিঃস্ব, আৰ্তজন আৰু অমাতৰ হৈ নীৰৱে কাম কৰি যোৱা তিনিগৰাকী ব্যক্তিৰ বছৰটোৰ সামৰণিৰ উপলব্ধি প্ৰচাৰ কৰা হ'ব। ৩১ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দেশ-বিদেশৰ ৰাজনীতি-সমাজনীতি, ক্ৰীড়া, সংস্কৃতি, সাহিত্য জগতৰ উল্লেখযোগ্য ঘটনাৱলীৰ বছৰজোৰা আলোকপাতৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ ষ্টুডিঅ'ত সাংবাদিক, চলচ্চিত্ৰ সমালোচক আৰু ৰাজনৈতিক পৰ্যবেক্ষক উপস্থিত থাকি বছৰটোৰ উল্লেখযোগ্য ঘটনাৱলীৰ পৰ্যালোচনা আগবঢ়াব।

0000000

কালি দেহাৱসান ঘটা যশস্বী চলচ্চিত্ৰ পৰিচালক শ্যাম বেনেগালৰ অন্ত্যেষ্টিক্ৰিয়া আজি আবেলি মুম্বাইৰ শিৱাজী পাৰ্ক শ্মশানত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। অন্ত্যেষ্টিক্ৰিয়াত পৰিচালকগৰাকীৰ জীয়ৰী নীৰা আৰু পিয়াৰ লগতে হিন্দী চলচ্চিত্ৰ জগতৰ প্ৰসিদ্ধ অভিনেতা নাছিৰুদ্দিন শ্বাহ, ৰজিত কাপুৰ, কুলভূষণ খাৰবান্দা, ৰত্না পাঠক শ্বাহ, গায়িকা তথা অভিনেত্ৰী ইলা অৰুণ, পৰিচালক হাঞ্চল মেহতা, লেখক, কবি, পৰিচালক গুলজাৰ, লেখক জাভেদ আখতাৰকে ধৰি ভালেসংখ্যক গুণমুগ্ধ উপস্থিত আছিল।

ইয়াৰ আগতে পৰিচালকগৰাকীৰ নশ্বৰ দেহ মুম্বাইৰ পে'ডাৰ ৰোডত থকা তেওঁৰ বাসভৱনৰ পৰা এখন সুসজ্জিত বাহনেৰে শিৱাজী পাৰ্ক বৈদ্যুতিক শ্মশানলৈ নিয়া হয়।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, দীৰ্ঘদিন ধৰি বৃক্কজনিত ৰোগত ভুগি থকা চলচ্চিত্ৰ নিৰ্মাতাগৰাকীৰ কালি মুম্বাইত ৯০ বছৰ বয়সত মৃত্যু হয়। সপ্তম আৰু অষ্টম দশকত নিউ ৱেভ চিনেমাৰে হিন্দী ছবি জগতত নতুন ধাৰাৰ সৃষ্টি কৰা শ্যাম বেনেগালৰ উল্লেখযোগ্য ছবিৰ ভিতৰত অন্যতম হৈছে **অংকুৰ, মন্থন, ভূমিকা, জুনুন, কলিযুগ, ত্ৰিকাল, সুৰজ কা সাতৱা ঘোঁৰা, মাম্মো, মান্দি, চৰ্দাৰী বেগম, জুবেইদা** ইত্যাদি। শ্বাৱানা আজমী, অনন্ত নাগ, স্মিতা পাটিল, নাছিৰুদ্দিন শ্বাহৰ দৰে বিশিষ্ট অভিনয় শিল্পীক চলচ্চিত্ৰ জগতত প্ৰতিষ্ঠিত কৰোৱা বেনেগাল ১৮টা ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা আৰু এটা ফিল্ম ফেয়াৰ বঁটাৰে বিভূষিত হৈছিল। ২০05 চনত দাদা চাহেব ফাল্কে, ১৯৭৬ চনত পদ্মশ্ৰী আৰু ১৯৯১ চনত পদ্ম ভূষণ সন্মানেৰে তেওঁক সন্মানিত কৰা হৈছিল।

0000000

ৰাজ্য চৰকাৰৰ উচ্চ শিক্ষা বিভাগে নেচনেল টেষ্টিং এজেন্সি চমুকৈ এন টি এয়ে অনুষ্ঠিত কৰা পৰীক্ষাসমূহ স্বচ্ছ আৰু সুৰক্ষিতভাৱে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱাৰ বাবে এখন ৰাজ্যিক পৰ্যায়ৰ সমন্বয় সমিতি গঠন কৰিছে। ৰাজ্য চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ সচিব মধুসুদন নাথক নডেল বিষয়া হিচাপে লৈ গঠন কৰা এই সমিতিখনে পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল কৰা চক্ৰক প্ৰতিৰোধ কৰাৰ বাবে সুসংহত ৰণকৌশল যুগুত কৰিব। তদুপৰি জিলা পৰ্যায়ত চিচিটিভি নিৰীক্ষণ কেন্দ্ৰ স্থাপন কৰাৰ ক্ষেত্ৰটো সমিতিখনে ব্যৱস্থা গ্ৰহণ কৰিব। এই সমিতিখনত অসম আৰক্ষী প্ৰতিনিধি, এন টি এৰ দ্বাৰা মনোনীত নডেল বিষয়া, ৰাজ্যিক চোৰাংচোৱা বিষয়াকে ধৰি আন কেইবাটাও বিভাগৰ শীৰ্ষ বিষয়াসকল প্ৰতিনিধি হিচাপে থাকিব।

000000

ৰঙিয়াৰ সীমা সশস্ত্ৰ বলৰ উদ্যোগত উত্তৰ-পূব নাগৰিক কল্যাণ কাৰ্যসূচীৰ অধীনত তামুলপুৰত আজি এটা এমহীয়া চিলাই প্ৰশিক্ষণ পাঠ্যক্ৰম মুকলি কৰা হয়। সীমান্ত অঞ্চলৰ ২৫ গৰাকী যুৱতী তথা মহিলাক বিভিন্ন প্ৰকাৰৰ চিলাইৰ প্ৰশিক্ষণ দিবলগীয়া এই কাৰ্যসূচী মুকলি কৰি এছ এছ বি ৰঙিয়াৰ উপ-কমাণ্ডেণ্ট বিশ্বনাথ মিশ্ৰই কয়, যে এই প্ৰশিক্ষণে ঘৰুৱা প্ৰয়োজন পূৰোৱাৰ লগতে মহিলাসকলক স্বাৱলম্বী কৰাত সহায় কৰিব। তেওঁ কয়, যে এছ এছ বিৰ ২৪ নম্বৰ বাহিনীয়ে নাগৰিকসকলক আৰ্থিকভাৱে সক্ষম কৰাৰ

লগতে শিক্ষাৰ্থীসকলৰ উজ্বল ভৱিষ্যতৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। আজিৰ এই অনুষ্ঠানত এছ এছ বি ৰঙিয়াৰ কেইবাগৰাকীও জোৱান উপস্থিত আছিল।

০০০০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত আই চি চি মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেল বডোডৰাৰ কোটাম্বি ষ্টেডিয়ামত চলি আছে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰি ৱেষ্ট ইণ্ডিজক জয়ৰ বাবে ৩৫৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল। বাতৰি যুগুটোৱাৰ পৰলৈকে ৱেষ্ট ইণ্ডিজে ১৪ অভাৰত ৩ টা উইকেট হেৰুৱাই ৫৬ ৰান কৰিছে।

০০০০০

তেজপুৰৰ নতুনপাৰা নিবাসী সৰবৰহী মহিলা ৰেণু বৰঠাকুৰৰ আজি তেজপুৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮০ বছৰ।

০০০০০০০

অহা ৫ জানুৱাৰীৰ পৰা অনুষ্ঠিত হ'বলগীয়া ৭৪ সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় বাস্কেটবল চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিবৰ বাবে অসমৰ দল ঘোষণা কৰিছে। অসম বাস্কেট বল সন্থাই ঘোষণা কৰা ল'ৰাৰ দলটোৰ মুখ্য প্ৰশিক্ষক হিচাপে বীৰেন্দৰ সিং আৰু পৰিচালক হিচাপে অনুপ কুমাৰ চাহুৰ নাম বাছনি কৰিছে। আনহাতে, ছোৱালী দলটোৰ মুখ্য প্ৰশিক্ষক হিচাপে ভৱজ্যোতি ভট্টাচাৰ্য, সহকাৰী প্ৰশিক্ষক অজয় কুমাৰ আৰু পৰিচালক হিচাপে উপাসনা কলিতাৰ নাম ঘোষণা কৰা হৈছে। দল দুটাই গুজৰাটৰ ভাৱ নগৰত হ'বলগীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰিব।

০০০০০০০

**সমাপ্ত**